# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৪৪/২০২০

## ২০২০-২১ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত আদৰণি জনালে মুখ্যমন্ত্ৰীয়ে
## কেন্দ্ৰীয় বাজেটক জনসাধাৰণমুখী আৰু কৃষকমুখী বুলি অভিহিত কৰিলে মুখ্যমন্ত্ৰীয়ে
## প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় বিত্ত মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিত্ত মন্ত্ৰী ড° নিৰ্মলা সীতাৰমণৰ দ্বাৰা সংসদত দাখিল কৰা বাজেটখনক জনসাধাৰমুখী আৰু কৃষকমুখী বুলি অভিহিত কৰিছে। এই বাজেটখনত কৃষি, যোগাযোগ আৰু মীন খণ্ডকে ধৰি সামগ্ৰিক কৃষি বিকাশৰ দিশত বিশেষ ব্যৱস্থাৱলী ৰখা হৈছে। বাজেটখনত ৰখা ব্যৱস্থাৱলীয়ে দেশৰ সাধাৰণ জনতাৰ লগতে মধ্যবিত্ত আৰু নিম্ন বিত্ত শ্ৰেণীক বাৰুকৈয়ে উপকৃত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বাজেটখনত অসমৰ অৰ্থনৈতিক তথা পৰিবহন ব্যৱস্থাৰ উন্নতিৰ বাবে ৰখা ব্যৱস্থাই বাৰুকৈয়ে সহায় কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৮৯০ কিঃমিঃ দৈৰ্ঘৰ ধুবুৰী-শদিয়া ব্ৰহ্মপুত্ৰৰ জল বিকাশ মাৰ্গ ২০২২ চনৰ ভিতৰত  সম্পূৰ্ণ কৰাৰ ব্যৱস্থাই অসমৰ জল পৰিবহন আৰু অৰ্থনৈতিক ক্ষেত্ৰলৈ বিশেষ সম্ভাৱনীয়তা কঢ়িয়াই আনিব বুলিও তেওঁ কয়। তদুপৰি, শিৱসাগৰক দেশৰ ৫ খন আৰ্কিঅ'লজিকেল আইকনিক চাইট হিচাপে উন্নয়নৰ বাবে তথা আহোম স্বৰ্গদেউ সকলৰ স্মৃতিচিহ্ন সমূহ সংৰক্ষণৰে সংগ্ৰহালয় স্থাপনৰ ব্যৱস্থাৱলীয়ে ৰাজ্য চৰকাৰে ৪২ গৰাকী আহোম স্বৰ্গদেউ সকলৰ স্মৃতি সংৰক্ষণৰ বাবে লোৱা পদক্ষেপক আগুৱাই লৈ যোৱাৰ দিশটো বিশেষভাবে সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি, কিষাণ ৰে'ল  আৰু কিষাণ উড়াণৰ লেখীয়া পদক্ষেপে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ কৃষকৰ উৎপাদিত সামগ্ৰী আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰাৰ যাত্ৰাত শক্তিশালী বৰঙণি যোগোৱাৰ লগতে এক্ট ইষ্ট পলিচি ৰূপায়নকো ই এক বিশেষ মাত্ৰা দিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষকৰ মৰ্যাদা তথা তেওঁলোকৰ আয় বৃদ্ধিৰ দিশত এই পদক্ষেপে বিশেষভাবে সহায় কৰিব। ৰাজ্যখনৰ কৃষি অৰ্থনীতিৰ উত্থানতো ই এক বৃহৎ ভূমিকা ল'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি, পি এম কুসুম আঁচনিৰ জৰিয়তে দেশৰ ২০ লাখ কৃষকক ষ্টেণ্ড এলম সৌৰ শক্তি পাম্প স্থাপনে জলসিঞ্চন ব্যৱস্থা পৰ্যাপ্তকৰণৰে কৃষি উৎপাদন বৃদ্ধিত সহায়ক হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

দেশৰ সৰ্বস্তৰৰ জনসাধাৰণৰ কল্যাণৰ বাবে ব্যৱস্থা ৰখা এই বাজেটখনক এক ইতিবাচক আৰু কল্যাণকামী বাজেট বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী ড° নিৰ্মলা সীতাৰমণকো এখন সুন্দৰ বাজেট উপহাৰ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**১/০২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in